# 'NORTH EAST KALA MELA' HELD AT SARAIGHAT COLLEGE ON 4TH & 5TH FEBRUARY, 2023 PUBLISHED IN THE ENGLISH DAILY NEWS PAPER 'THE ASSAM TRIBUNE' AND ASSAMESE DAILY 'DAINIK AGRADUT'

**8** THE ASSAM TRIBUNE, GUWAHATI

THURSDAY, FEBRUARY 9, 2023

## NE Kala Mela held at Saraighat College

GUWAHATI, Feb 8: Saraighat Art Society and Saraighat College Alumni Association jointly organised a grand event titled 'North East Kala Mela' on February 4 and 5 on the college premises, in which a national-level art competition, art fair, painting exhibition and various programmes of art and culture were held, stated a press release.

During the two-day event, artist Debakanta Hazarika imparted training on terracotta. A 'moina mel' of song, dance and recitation was conducted by the Prag channel, where children were given opportunities to show their talents. The entire crew of the recently released Assamese film *Dr Bezbaruah-2* was present in the programme, making it more attractive. All the children participating in the competitions were encouraged by the Alumni Association and 300 learners were given certificates by the SBI.

The programme was attended by Dr Moni Sarma Shastri, principal, Saraighat College, Dr Ganoda Nath, governing body president, artist-cartoonist Pradip Nath of Saraighat Art Society, artist Dr Nayak Amritanand, alumni association president Tabibar Raman, secretary Munindra Lahkar, members Rinku Choudhury and Rajikul Hussain, social activist Safik Ali Mirza, teachers and students of the college, student union office-bearers, local people and guardians. The programme was assisted by *The Assam Tribune* and *Hashtag News*.

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১০ ফেব্ৰুৱাৰী, শুকুৰবাৰ, ২০২৩ পৃষ্ঠা ১৪

## শৰাইঘাট মহাবিদ্যালয়ত উত্তৰ-পূব কলা মেলা



চাংসাৰি, ৯ ফেব্ৰুৱাৰী ঃ শৰাইঘাট আৰ্ট ছ'চাইটি, দি আছাম ট্ৰিবিউন আৰু শৰাইঘাট মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উদ্যোগত যোৱা চাৰি ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে শৰাইঘাট 'মহাবিদ্যালয় প্ৰাংগণত 'উত্তৰ-পূব কলা মেলা' নামেৰে এক অনুষ্ঠান অনষ্ঠিত কৰা হয়। ইয়াত কণ কণ শিশুৰ মাজত ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিত্ৰাংকন প্ৰতিযোগিতা, কলা মেলা, চিত্ৰ প্ৰদৰ্শনৰ লগতে বিভিন্ন কলা প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। বিশিষ্ট টেৰাকোটা শিল্পী দেৱকান্ত হাজৰিকাৰ তত্ত্বাৱধানত শিক্ষাৰ্থীসকলক পোৰামাটিৰ শিল্পৰ প্ৰশিক্ষণ দিয়ে। লগতে 'প্ৰাগ চেনেল'ৰ বিশেষ অনুষ্ঠান 'প্ৰাগ মইনামেল'ৰ জৰিয়তে কণ কণ শিশুসকলৰ মাজত গীত-মাত, নৃত্যকে আদি কৰি বিভিন্ন মনোৰঞ্জনৰ এক সুন্দৰ মনোমহা অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ্য যে সদ্য মুক্তিপ্ৰাপ্ত অসমৰ জনপ্ৰিয় বোলছবি 'ডাক্তৰ বেজবৰুৱা-০২'ৰ শিল্পীসকল উপস্থিত থাকি এই অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিযোগী কণ কণ শিশুক শৰাইঘাট মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ তৰফৰ পৰা আন্তৰিক মৰম, স্নেহ আৰু অলেখ শুভকামনা জনোৱাৰ লগতে ভাৰতীয় ষ্টেট বেংকৰ তৰফৰ পৰা অংশগ্ৰহণকাৰী প্ৰায় তিনিশ শিক্ষাৰ্থীক প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা, শৰাইঘাট মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি ড° জ্ঞানদা নাথ, শৰাইঘাট আৰ্ট ছ'চাইটিৰ তৰফৰ পৰা স্বনামধন্য কাৰ্টুনিষ্ট প্ৰদীপ নাথ, বিশিষ্ট চিত্ৰশিল্পী ড° নায়ক অমৃতানন্দ, শৰাইঘাট মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উপদেষ্টা ক্ৰমে আব্দুল হামিদ, পিংকু চৌধুৰী, ৰাজিকুল, হুছেইন, সম্পাদক মুনীন্দ্ৰ লহকৰ, বিশিষ্ট সমাজসেৱকত্ৰয় চফিক আলী মিৰ্জা, মতিউৰ ৰহমান, দুলাল মেধিৰ লগতে শৰাইঘাট মহাবিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা ছাত্ৰ-ছাত্ৰীসকল, স্থানীয় ৰাইজ তথা অভিভাৱকসকল। অনুষ্ঠানৰ বাবে অভিভাৱকসকলে বিদ্যালয় কৰ্তৃপক্ষৰ লগতে উদ্যোক্তাসকলৰ শলাগ লয়।